Total No. of Printed Pages—6

**HS/XII/A/a/23**

# 2023

## ASSAMESE ( ELECTIVE )

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*General Instructions* :

(i) Write all the answers in the Answer Script.

(ii) Attempt Part—A (Objective Questions) serially.

(iii) Attempt all parts of a question together at one place.

( PART : A—OBJECTIVE )

( *Marks* : 50 )

SECTION—I

( *Marks* : 20 )

১। তলৰ যি কোনো **দহটা** প্ৰশ্নৰ উত্তৰ পোনপটীয়াকৈ উত্তৰ-বহীত লিখা (*দুটা* বা *তিনিটা* শব্দৰে) : ১×১০=১০

(ক) কবি যতীন্দ্ৰনাথ দুৱৰাৰ জন্ম কিমান চনত হৈছিল ?

(খ) 'বনফুল' কাৰ ৰচনা ?

(গ) ওমৰ খায়াম কোন আছিল ?

(ঘ) মহেশ্বৰ নেওগৰ এখন গ্ৰন্থৰ নাম লিখা।

(ঙ) ‘হেজাৰী ঘোষা’ বুলিলে কোনখন গ্ৰন্থক জনা যায়?

(চ) মাধৱদেৱে ৰচনা কৰা বৰগীতৰ সংখ্যা কিমান?

(ছ) ৰামসৰস্বতী কোন যুগৰ কবি?

(জ) ভীমৰ আন এটা নাম লিখা।

(ঝ) সাৰদা বৰদলৈৰ এখন নাটকৰ নাম লিখা।

(ঞ) ভট্টদেৱৰ সম্পূৰ্ণ নাম কি?

(ট) শংকৰদেৱৰ যি কোনো এখন কাব্যৰ নাম লিখা।

(ঠ) লক্ষ্মীনাথ বেজবৰুৱা কোন যুগৰ সাহিত্যিক?

(ড) ‘জোনাকী’ আলোচনী প্ৰথম কেতিয়া প্ৰকাশ হৈছিল?

(ঢ) প্ৰথম অসমীয়া আলোচনীখনৰ নাম কি?

(ণ) চন্দ্ৰকুমাৰ আগৰৱালাৰ এটা কবিতাৰ নাম লিখা।

২। তলৰ খালী ঠাইসমূহ সঠিক শব্দৰে পূৰণ কৰি উত্তৰ-বহীত লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) খটাসুৰক ______ বৰ প্ৰদান কৰিছিল।

(খ) মাধৱক স্মৰি মাৰিলা লক্ষ্য কৰি
______ মাথা তাৰ পড়িল বাগৰি।

(গ) তিৰোতাৰ কথা ______ জানে।

(ঘ) ঋণং কৃত্বা ঘৃতং ______।

(ঙ) ______ যাজ্ঞসেনী বুলি জনা যায়।

(চ) ______ অসমীয়া নাট্য-সাহিত্যৰ জনক।

(ছ) অসমীয়া প্ৰথম ৰোমাণ্টিক কবিতা ______।

৩। কেৱল শুদ্ধ উত্তৰটো উত্তৰ-বহীত লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) জোনাকী কাকতৰ প্ৰথম সম্পাদক আছিল

( চন্দ্ৰকুমাৰ আগৰৱালা / লক্ষ্মীনাথ বেজবৰুৱা / ৰঘুনাথ চৌধাৰী )

(খ) 'নামঘোষা' ৰচনা কৰিছিল

( শংকৰদেৱে / ও. টি. কাট্টাৰে /মাধৱদেৱে )

(গ) 'খটাসুৰ বধ'ৰ ৰচক

( মাধৱ কন্দলি / হেম সৰস্বতী / ৰামসৰস্বতী )

(ঘ) ওমৰ খায়াম ৰচিত গ্ৰন্থখনিৰ নাম হ'ল

( ওমৰ তীৰ্থ / ৰুবায়ত / মিলন তীৰ্থ )

(ঙ) 'নিউটেষ্টামেন্ট'ৰ অসমীয়া ভাঙনি কৰিছিল

( নাথান ব্ৰাউনে / আনন্দৰাম ঢেকিয়াল ফুকনে / লক্ষ্মীনাথ বেজবৰুৱাই )

(চ) হেমচন্দ্ৰ গোস্বামীৰ প্ৰথম ছনেট

( প্ৰিয়তমাৰ চিঠি / মাধুৰী / মমতাৰ চিঠি )

(ছ) 'ওমৰ খায়াম' কাৰ ৰচনা ?

( যতীন্দ্ৰনাথ দুৱৰাৰ / ভট্টদেৱৰ / হেম সৰস্বতীৰ )

(জ) বৰগীতসমূহৰ ভাষা

( অসমীয়া / হিন্দী / ব্ৰজাৱলী )

## SECTION—II

( *Marks* : 30 )

৪। তলৰ যি কোনো **দহটা** প্ৰশ্নৰ উত্তৰ পোনপটীয়াকৈ উত্তৰ-বহীত লিখা (পাঁচ-ছয় শাৰীত) : ৩×১০=৩০

(ক) 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ ক'ত, কেতিয়া আৰু কিয় জন্ম হৈছিল? ১+১+১=৩

(খ) যতীন্দ্ৰনাথ দুৱৰাক কি কবি বুলি জনা যায়? যতীন্দ্ৰনাথ দুৱৰাৰ দুখন কবিতাপুথিৰ নাম লিখা। ১+২=৩

(গ) 'নামঘোষা'ত প্ৰৱাহিত তিনিটা ধাৰাৰ নাম লিখা। ৩

(ঘ) সাহিত্যক শ্ৰেষ্ঠ আৰ্ট বা কলা বুলি ক'ব পাৰিনে? লিখা। ৩

(ঙ) ওমৰৰ শেষ বিশ্ৰামৰ ঠাই ক'ত আৰু কেনেকুৱা আছিল? ১+২=৩

(চ) ভটিমাকেইটা কি কি? ৩

(ছ) খটাসুৰৰ দৈহিক আকৃতিৰ বৰ্ণনা দিয়া। ৩

(জ) 'মগৰীবৰ আজান' নাটকৰ যি কোনো তিনিটা চৰিত্ৰৰ নাম লিখা। ৩

(ঝ) শংকৰদেৱ কোন যুগৰ কবি? তেওঁ প্ৰৱৰ্তন কৰা ধৰ্মৰ বিষয়ে চমুকৈ লিখা। ১+২=৩

(ঞ) ভট্টদেৱৰ দ্বাৰা ৰচিত তিনিখন গ্ৰন্থৰ নাম লিখা। ৩

(ট) 'অৰুণোদই'ৰ তিনিটা অৱদান উল্লেখ কৰা। ৩

(ঠ) নাথান ব্ৰাউন কোন আছিল? তেওঁৰ দুখন গ্ৰন্থৰ নাম লিখা। ১+২=৩

(ড) উপন্যাস কাক বোলে? ৩

(ঢ) নাটকৰ যি কোনো তিনিটা উপাদান উল্লেখ কৰা। ৩

(ণ) পদ্মনাথ গোহাঞিবৰুৱা কোন যুগৰ সাহিত্যিক? তেওঁৰ দুখন কবিতাপুথিৰ নাম লিখা। ১+২=৩

( PART : B—DESCRIPTIVE )

( *Marks* : 50 )

৫। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা :

(ক) মানুহৰ জীৱনদৰ্শন সম্পৰ্কে ওমৰৰ ধাৰণা কেনেকুৱা আছিল, পাঠ্যপুথিৰ আধাৰত আলোচনা কৰা। ১০

(খ) 'সাহিত্যত সাধনা, আৰ্ট আৰু ৰুচি' প্ৰবন্ধৰ মূল কথাখিনি তোমাৰ ভাষাৰে লিখা। ১০

(গ) 'নামঘোষা' গ্ৰন্থৰ বিষয়ে লিখা। ১০

৬। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা :

(ক) অসমীয়া ব্যাস বুলি ক'লে কাক জনা যায়? তেওঁৰ ৰচিত যি কোনো এখন বধকাব্যৰ বিষয়ে আলোচনা কৰা। ১+৯=১০

(খ) খটাসুৰক কোনে, কেনেকৈ বধ কৰিছিল, আলোচনা কৰা। ১০

(গ) ৰামসৰস্বতীৰ বধকাব্যসমূহ সাহিত্যিক গুণসমৃদ্ধ হয়নে, আলোচনা কৰা। ১০

৭। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা :

(ক) 'মগৰীবৰ আজান' নাটকক সামাজিক নাটক বুলি অভিহিত কৰিব পাৰিনে? আলোচনা কৰা। ১০

(খ) 'মগৰীবৰ আজান' নাটকৰ কাহিনীটোৰ মূল কথাখিনি নিজৰ ভাষাৰে বৰ্ণনা কৰা। ১০

(গ) আধুনিক অসমীয়া নাটকৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা। ১০

৮। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা :

(ক) শংকৰদেৱৰ ৰচনাৱলীৰ মূল বৈশিষ্ট্যসমূহ আলোচনা কৰা। ১০

(খ) 'অসমীয়া সাহিত্যলৈ অৰুণোদই (অৰুণোদয়)ৰ অৱদান'—শীৰ্ষক এটি প্ৰবন্ধ লিখা। ১০

(গ) 'জোনাকী যুগৰ কাব্য সাহিত্য'ৰ সম্পৰ্কে আলোচনা আগবঢ়োৱা। ১০

৯। তলৰ যি কোনো **চাৰিটাৰ** বিষয়ে চমু টোকা লিখা : $২\frac{১}{২}\times৪=১০$

(ক) সাহিত্যৰ সংজ্ঞা

(খ) ভীম

(গ) হেমাই পণ্ডিত

(ঘ) চুটিগল্প

(ঙ) ৰঘুনাথ চৌধাৰী

(চ) চনেট

(ছ) ওমৰ তীৰ্থ

(জ) কীৰ্তন পুথি

(ঝ) অসমীয়া ভাষা উন্নতি সাধিনী সভা

(ঞ) খটাসুৰ বধৰ চাৰিটা শ্লোক

★★★